পৰিৱৰ্তন হয়। ফলত উদ্যোগৰ গীথনিৰ পৰিৱৰ্তন হয়। গতিকে ৰিকাৰ্ডোৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্বটো ইয়াৰ ক্ষেত্ৰত বাস্তৱত কৃতকাৰ্যতা লাভ কৰিব পৰা নাই।

৪। **অপৰিৱৰ্তনীয় প্ৰতিদান বিধি (Unchanged Law of Variable Proportion) :** তুলনামূলক ব্যয় তত্ত্বটো অপৰিৱৰ্তনীয় প্ৰতিদান বিধিৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু বাস্তৱত দেখা যায় যে উৎপাদনত ক্ৰমহ্ৰাসমান বিধিহে কাৰ্যকৰী হয়। গতিকে তত্ত্বটো অভিজ্ঞতামূলক আলোচনাৰ ভিত্তিত প্ৰতিষ্ঠিত।

৫। **অত্যধিক যোগানৰ হিচাৰ হেঁচা (Excessive Supply Pressure) :** ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বটোত চাহিদাৰ দিশটোক আওকাণ কৰা হৈছে। যোগানৰ দিশটোহে বেছি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। গতিকে তত্ত্বটো অসম্পূৰ্ণতাত ভুগিছে।

৬। **পৰিবহণ ব্যয়শূন্য (Zero Transport Cost) :** ৰিকাৰ্ডোৰ তত্ত্বটোৱে আন্তৰ্জাতিক বাণিজ্যত পৰিবহণ ব্যয় নাথাকে বুলি ধৰি লৈছে। কিন্তু পৰিবহণ ব্যয়ৰ শূন্যতাত বাণিজ্যৰ সৃষ্টি হ'ব নোৱাৰে। বৰং পৰিবহণ ব্যয়ৰ ফলত নিৰ্ধাৰিত হোৱা অধিক ব্যয়ৰ পাৰ্থক্যৰ কাৰণেহে আন্তৰ্জাতিক বাণিজ্যৰ সৃষ্টি হয়।

৭। **মুক্ত অৰ্থনীতিৰ ধাৰণা (Cocept of Free Economy) :** ৰিকাৰ্ডোৰ তত্ত্বটো মুক্ত অৰ্থনীতিৰ ক্ষেত্ৰতহে প্ৰয়োগ হয়। সংৰক্ষণ নীতিৰ পোষকতা কৰা দেশবোৰত এই নীতি কাৰ্যকৰী নহয়।

এনেদৰে বিভিন্ন সমালোচনাৰে ৰিকাৰ্ডোৰ তুলনামূলক ব্যয়ৰ তত্ত্বটো সমালোচনা কৰি অহা হৈছে। এওঁলোকৰ ভিতৰত Taussigg, Graham, Bertil Ohlim, Elli Heckscker আদিয়েই প্ৰধান। অৱশ্যে এটা কথা ঠিক যে সমালোচনাৰ অৱকাশ থাকিলেও ৰিকাৰ্ডোৰ তুলনামূলক ব্যয়ৰ তত্ত্বটো আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কেটি প্ৰস্তুতকাৰী এক জনপ্ৰিয় তত্ত্ব।

## ৬.৯ : হেকস্কাৰ অহলিনৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্ব (Heckscher Ohlin's Theory of International Trade (Homodel) :

তুলনামূলক ব্যয়ৰ পৰম্পৰাগত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তত্ত্বক সমুলি নস্যাৎ কৰি অৰ্থনীতিবিদ Bertil Ohlin আৰু Eli-Heckscher নামৰ দুজন অৰ্থনীতিবিদে এক নতুন তত্ত্ব প্ৰৱৰ্তন কৰিছিল। ইয়াক আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ আধুনিক তত্ত্ব বা ভাৰসাম্য তত্ত্ব বুলিও জনা যায়।

অহলিনৰ (Ohlin) মতে, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য হ'ল এক বিশেষ ক্ষেত্ৰৰ ধাৰণা। ই হ'ল আন্তঃআঞ্চলিক বা আন্তঃৰাজ্যিক বাণিজ্যৰ এক যুক্তিসংগত বিস্তৃত গাঁথনি। Ohlin ৰ ভাষাত— "International Trade is a special Case. It is a logical extension form of inter local or inter-regional trade. The differences are of quantities not of qualities." অহলিনৰ মতে মূল্যৰ সাধাৰণ তত্ত্বৰ ভিত্তিত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ তাত্ত্বিক দিশটো অধ্যয়ন কৰিব পৰা যায়। পিছৰ সময়ছোৱাত এজন হেকস্কাৰ নামৰ অৰ্থনীতিবিদজনে অহলীনৰ তত্ত্বত কিছু সংযোজন ঘটাই আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ অহলিনৰ তত্ত্বটোৰ কিছু সংশোধন ঘটাইছিল। হেকস্কাৰৰ মতে দুখন দেশ বাণিজ্যত লিপ্ত হ'বলৈ হ'লে দেশ দুখনে পাৰস্পৰিকভাৱে দৰৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। অহলিনেও হেকস্কাৰৰ ধাৰণাটো স্বীকাৰ কৰি তত্ত্বটোৰ কিছু সংশোধনী ঘটায়। পিছত এই তত্ত্বটো হেকস্কাৰ-অহলিনৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সংশোধিত তত্ত্ব বা 'H-O Model' হিচাপে জনাজাত হয়। আকৌ কেতিয়াবা 'H-O Theory' বুলিও কোৱা হয়।

## ৬.১০ : H-O তত্ত্বৰ অভিধাৰণা (Assumptions of H-O Theory) :

হেকস্কাৰ-অহলিনৰ তত্ত্বটোক কেতিয়াবা উপাদানৰ অনুপাতৰ বিশ্লেষণ হিচাপেও জনা যায়। এই তত্ত্বটোৰ অভিধাৰণাসমূহ হ'ল—



১। এই তত্ত্বটো মতে দুখন দেশ, দুটা সামগ্ৰী আৰু দুটা উৎপাদনৰ উপাদান অৰ্থাৎ শ্ৰমিক আৰু মূলধন (Labour and Capital) ৰ মাজত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৃষ্টি হয়।

২। দুখন দেশৰ মাজত থকা শ্ৰমিক আৰু মূলধনৰ অনুপাত একে হ'ব নোৱাৰে।

৩। উৎপাদনৰ উপাদানসমূহ দেশীয়ভাৱে চলমানশীল কিন্তু আন্তঃৰাষ্ট্ৰীয় ভাৱে চলমান নহয়।

৪। উপাদান আৰু দ্ৰব্যৰ বজাৰত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ উপস্থিতি থাকে।

৫। এখন দেশত সদৃশ সামগ্ৰীৰ উৎপাদন ফলন (Production Function) একে আৰু বিসদৃশ সামগ্ৰীৰ ক্ষেত্ৰত উৎপাদন ফলন বেলেগ বেলেগ হয়।

৬। দেশ দুখনৰ উৎপাদন কৌশল একে।

৭। উৎপাদন ফলন সমূহৰ প্ৰতিদান বিধিৰ অনুপাতত অন্তৰ্গত হয়।

৮। কোনো পৰিবহণ ব্যয় নাথাকে আৰু দেশ দুখনৰ মাজত মুক্ত অৰ্থ ব্যৱস্থা চলি থাকে।

৯। দুয়োখন দেশৰ সামগ্ৰীৰ চাহিদা সাদৃশ্যযুক্ত (Identical)।

১০। দুয়োখন দেশৰ ভোক্তাৰ পছন্দ আৰু অগ্ৰাধিকাৰৰ পৰিমাণ একে হ'ব লাগিব।

ওপৰোক্ত ধাৰণাবোৰৰ অধীনত হেকস্কাৰ আৰু অহলিনে আন্তৰ্জাতিক বাণিজ্য সৃষ্টিৰ কাৰণবোৰ ব্যাখ্যা কৰাৰ প্ৰচেষ্টা চলাইছিল। তেওঁলোকৰ মতে প্ৰতিখন দেশৰ উৎপাদন আৰু উৎপাদনৰ উপাদানসমূহৰ যোগান বেলেগ বেলেগ, মূল্য একে নহয় আৰু দামবো পাৰ্থক্য আছে। দুখন বেলেগ বেলেগ দেশে যেতিয়া মূলধনী সামগ্ৰী আৰু শ্ৰম প্ৰধান সামগ্ৰী উৎপাদন কৰি ব্যয়ৰ সুবিধা লাভ কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত লিপ্ত হয়, তেতিয়া দেশ দুখনে কিছুমান সুবিধা লাভ কৰে।

ধৰা হ'ল, দুখন দেশ A আৰু B। ইয়াৰ ভিতৰত A দেশখনে মূলধনী সামগ্ৰী (Capital Goods) ৰপ্তানি কৰে আৰু শ্ৰম নিবিড় সামগ্ৰী (Labour Intensive Goods) আমদানি কৰে। ইয়াৰ বিপৰীতে B দেশখনে শ্ৰমপ্ৰধান সামগ্ৰী ৰপ্তানি কৰে আৰু মূলধন প্ৰধান (Capital Intensive Goods) সামগ্ৰী আমদানি কৰে।

অৰ্থাৎ $\left\{\frac{PK}{PL}\right\}_A L\left\{\frac{PK}{PL}\right\}_B$ and $\left\{\frac{PL}{PK}\right\}_B > \left\{\frac{PL}{PK}\right\}_A$

যদি দেশ দুখনত উপাদানৰ প্ৰাচুৰ্যতা সদৃশ বা একে ধৰণৰ হয়, অৰ্থাৎ ব্যয়ৰ পাৰ্থক্য নাথাকিলে, দেশ দুখনৰ মাজত আন্তৰ্জাতিক বাণিজ্য নহয়। অৰ্থাৎ $\left(\frac{PK}{PL}\right)_A = \left(\frac{PK}{PL}\right)_B$ হ'লে দুয়োখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যৰ সৃষ্টি নহয়।

আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সৃষ্টি হ'বলৈ হ'লে দুখন দেশৰ উৎপাদিত দ্ৰব্য আৰু উপাদানৰ মাজত এক তুলনামূলক ব্যয়ৰ পাৰ্থক্য থাকিব লাগিব। এই পাৰ্থক্যৰ হাৰ বৈদেশিক বিনিময়ৰ হাৰৰ দ্বাৰা উলিওৱা হয়। এটা উদাহৰণৰ দ্বাৰা ইয়াক দেখুৱাব পাৰি—

তলৰ তালিকাখনৰ ১নং স্তম্ভত A,B,C,D,E আৰু F উৎপাদনৰ উপাদানসমূহ দুখন দেশৰ মাজত দেখুওৱা হৈছে।

দ্ৰব্যটো প্ৰতি গোটক ২০ জন শ্ৰমিকৰ সহায়ত উৎপাদন কৰে, তেতিয়া B ৰাষ্ট্ৰই p দ্ৰব্যটো ২০জন শ্ৰমিক আৰু q নামৰ দ্ৰব্যটো ১০ জন শ্ৰমিকৰ দ্বাৰা উৎপাদন কৰিলেহে, প্ৰথম দেশে p দ্ৰব্যৰ আৰু দ্বিতীয়খন দেশে q দ্ৰব্যৰ অতিৰিক্ত উৎপাদন কৰি p আৰু q ৰ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কৰিব। ইয়াৰ ফলত প্ৰতি বজাৰ উৎপাদন ব্যয় হ'ব ১০ জনকৈ শ্ৰমিক নিয়োজনত। অথচ নিজ দেশত উৎপাদন কৰিলে শ্ৰমিক হ'ব ১৫ জনকৈ শ্ৰমিক (১০ জন + ২০ জন ÷ ২ = ১৫ জন)। ইয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যই ৫ জন অতিৰিক্ত শ্ৰমিকৰ ব্যয় কম কৰিব। ব্যয়ৰ এই পাৰ্থক্যৰ বাবে দুয়োখন ৰাষ্ট্ৰই আন্তৰ্জাতিক বাণিজ্যত লিপ্ত হ'ব। উক্ত ব্যয়ৰ পাৰ্থক্যই এটা কথা স্পষ্ট কৰে যে p দ্ৰব্য উৎপাদন A ৰাষ্ট্ৰ আৰু q দ্ৰব্য উৎপাদনত B ৰাষ্ট্ৰৰ বিশেষ সুবিধা আছে। বিশ্বৰ বিভিন্ন দেশৰ মাজত হোৱা বাণিজ্যৰ এক বৃহৎ অংশ। এনেধৰণৰ পূৰ্ণ ব্যয়ৰ (Absolute Cost) পাৰ্থক্যৰ কাৰণে সংঘটিত হয় বুলি কোৱা হয়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সংস্থাপিত তত্ত্বৰ প্ৰবক্তা পৃষ্ঠপোষক আদাম স্মিথ (Adam Smith) আৰু জে এছ মিলৰ (J S Mill) মতে এনে ধৰণৰ পূৰ্ণাংগ (Absolute) ব্যয়ৰ পাৰ্থক্যৰ কাৰণে দুখন দেশৰ মাজত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ উদ্ভৱ হয়। ইয়াক মিলৰ পূৰ্ণাংগ ব্যয়ৰ তত্ত্ব বুলি কোৱা হয়।

(ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বটো প্ৰথম অধ্যায়ত আলোচনা কৰা হৈছে)

**৬.৭ : ৰিকাৰ্ডোৰ তত্ত্বৰ গাণিতিক বিশ্লেষণ (Mathematical Explanation of Ricardo's Theory) :** ৰিকাৰ্ডোৰ তুলনামূলক সুবিধাৰ তত্ত্বটো (Compartive Cost Advantage Theory of Ricardo) ৰ গাণিতিক ব্যাখ্যাও কৰিব পৰা যায়। এটা সমীকৰণৰ দ্বাৰা এই তত্ত্বটো ব্যাখ্যা কৰিব পাৰি। ধৰি লোৱা হ'ল বাণিজ্য লিপ্ত হোৱা দেশ হ'ল দুখন। দেশ দুখনে দুটা দ্ৰব্য উৎপাদন কৰে। দ্ৰব্য দুটাৰ নাম হ'ল A আৰু B দ্ৰব্য। এতিয়া A দ্ৰব্যটো উৎপাদন কৰোঁতে ১নং দেশখনত ব্যয় হয় $c_1$ আৰু ২নং দেশখনত ব্যয় হ'ব $c_2$ পৰিমাণ। আকৌ B দ্ৰব্যটো উৎপাদন কৰোঁতে ১নং দেশত ব্যয় হয় $d_1$ পৰিমাণ আৰু ২ নং দেশত ব্যয় হয় $d_2$ পৰিমাণ। এতিয়া ধৰা হয় যদি $\left(\frac{C_1}{C_2} < 1 < \frac{d_1}{d_2}\right)$ হয়, তেতিয়া উল্লেখ কৰা ব্যয়ৰ তথ্যৰ পৰা পূৰ্ণ ব্যয়ৰ উপস্থিতিৰ এক পাৰ্থক্যই দেখা দিব। এনে ক্ষেত্ৰত ২নং দেশখনৰ উৎপাদন ব্যয়ত ভিত্তি ১নং দেশখনৰ A দ্ৰব্যৰ উৎপাদন আৰু ১ নং দেশখনৰ উৎপাদনী ব্যয়ৰ ওপৰত ভিত্তি কৰি ২ নং দেশৰ B দ্ৰব্য উৎপাদন কৰিলে পূৰ্ণ সুযোগ (Absolute Advantage) পোৱা যাব। কিন্তু $\frac{C_1}{C_2} < 1 < \frac{d_1}{d_2}$ যদি হয়, তেতিয়া দুয়োখন দেশে দ্ৰব্য দুটা উৎপাদনৰ ক্ষেত্ৰত যে তুলনামূলক পাৰ্থক্য এটা আছে তাকে দেখুৱাব। এই ব্যয়ৰ পাৰ্থক্যৰ ফলত কথা এটা স্পষ্ট হয় যে ১ নং দেশৰ A আৰু B দুইটা দ্ৰব্য উৎপাদনত সিহঁতৰ উৎপাদনী ব্যয়ৰ ফলৰ পৰা ২ নং দেশতকৈ সুবিধাৰ পৰিমাণ বেছি। কিন্তু তুলনামূলকভাৱে যদি স্পষ্টভাৱে বিচাৰ-বিশ্লেষণ কৰা হয়, তেতিয়া ১নং দেশখনৰ B দ্ৰব্যৰ তুলনাত A দ্ৰব্যৰ উৎপাদনৰ সুবিধা বহুত বেছিকৈ আছে।

**৬.৮ : মুদ্ৰাৰ ব্যয়ৰ মানৰ দ্বাৰা তুলনামূলক ব্যয় তত্ত্বৰ ব্যাখ্যা (Explanation of Comparative Cost Theory in Money Standard) :** তুলনামূলক ব্যয় তত্ত্বৰ ব্যাখ্যাটো ৰিকাৰ্ডোই শ্ৰমিকৰ মানৰ (Standard) দ্বাৰাহে ব্যাখ্যা কৰিছে। বৰ্তমান অৰ্থনীতি হ'ল মুদ্ৰাগত অৰ্থনীতি। অৰ্থনীতি হ'ল মুদ্ৰাগত অৰ্থনীতি। অৰ্থনীতিৰ সকলো কাম-কাজৰ মূল্যায়ন বৰ্তমান মুদ্ৰাৰ মাধ্যমত কৰা হয়। প্ৰখ্যাত অৰ্থনীতিবিদ টাউছিগে (Tausigg)



ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বৰ বিশ্লেষণ মুদ্ৰাৰ মানত প্ৰকাশ কৰিছে। এই তত্ত্বমতে থকা বিশ্লেষণ তলত দিয়া ধৰণৰ।

ধৰা হ'ল, দেশ দুখন ক্ৰমে A আৰু B। দেশ দুখনৰ শ্ৰমিকৰ বেলেগ বেলেগ মজুৰিৰ ভিত্তিত কাপোৰ আৰু তেলৰ উৎপাদনী ব্যয় তলত দিয়া ধৰণে দেখুৱালে—

**কাপোৰ আৰু তেলৰ উৎপাদনী ব্যয়**

| দেশ | একদিনৰ শ্ৰম উৎপাদন | দৈনিক মজুৰি বা শ্ৰমিকৰ ওপৰত হোৱা ব্যয় | উৎপাদিত দ্ৰব্যৰ প্ৰতি গোটৰ মুদ্ৰাগত ব্যয় |
|---|---|---|---|
| A | তেলৰ ২০টা গোট | ১০ টকা | ৫০ পইচা |
| | কাপোৰৰ ২০টা গোট | ১০ টকা | ৫০ পইচা |
| B | তেলৰ ১০ টা গোট | ৮ টকা | ৮০ পইচা |
| | কাপোৰৰ ১০টা গোট | ৮ টকা | ৫০ পইচা |

তালিকাখনৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে A দেশখনত B দেশখনৰ তুলনাত কাপোৰৰ উৎপাদনতকৈ তেলৰ উৎপাদন ব্যয় যথেষ্ট কম। গতিকে ৰিকাৰ্ডোৰ তত্ত্ব মতে A দেশখনে তেলৰ উৎপাদন কৰিব আৰু অতিৰিক্ত উৎপাদন ৰপ্তানি কৰিব। B দেশখনে কাপোৰ উৎপাদনত আপেক্ষিকভাৱে কম অসুবিধা পাব। গতিকে B দেশখনে অতিৰিক্ত কাপোৰৰ উৎপাদন কৰি ৰপ্তানি কৰিব। অৰ্থাৎ দেশ A আৰু দেশ B ৰ মাজত সুবিধা মতে তেল আৰু কাপোৰ উৎপাদন কৰি আমদানি-ৰপ্তানিৰ মাধ্যমত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য এটা ৰপ্তানিৰ মাধ্যমত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য এটা গঢ়ি উঠিব। A দেশে তেল উৎপাদন কৰি ৰপ্তানি কৰিব আৰু কাপোৰ আমদানি কৰিব। B দেশে কাপোৰ উৎপাদন কৰ ৰপ্তানি কৰিব আৰু তেল আমদানি কৰিব। এইদৰে A আৰু B দেশৰ মাজত তেল আৰু কাপোৰৰ আমদানি-ৰপ্তানি হৈ এক আন্তঃৰাষ্ট্ৰীয় বাণিজ্য গঢ়ি উঠিব। সমালোচনা— ৰিকাৰ্ডোৰ তুলনামূলক ব্যয় তত্ত্বটো (গাণিতিক ব্যাখ্যা) বিভিন্ন সমালোচনাৰে জৰ্জৰিত হোৱা বুলি ক'ব পাৰি। সেইবোৰ হ'ল—

১। **শ্ৰমৰ মানত উৎপাদন ব্যয় নিৰ্ধাৰণ (Determination of Production in Labour Standard) :** ৰিকাৰ্ডোৰ তত্ত্বটোত উৎপাদন ব্যয়ৰ পৰিমাণ শ্ৰমৰ দ্বাৰাহে নিৰ্ধাৰণ কৰা হৈছে। অৰ্থাৎ শ্ৰমিকেই উৎপাদনৰ পৰিমাণ নিৰ্ধাৰণ কৰে বুলি ধৰা হৈছে। তদুপৰি সকলো দ্ৰব্যৰ উৎপাদনত শ্ৰম আৰু উৎপাদনৰ অনুপাত সমান বুলি ধৰা হৈছে। কিন্তু এই ধাৰণা বাস্তৱ নহয়। দ্ৰব্য উৎপাদনত শ্ৰমিকৰ বাহিৰেও আন বহুতো উপাদানে মূল্য নিৰ্ধাৰণ কৰে। এই কথাটো ৰিকাৰ্ডোই এনেই চলিছে। উৎপাদনৰ ব্যয় মুদ্ৰাৰ মানতো প্ৰকাশ কৰিব পাৰি। এই কথা ৰিকাৰ্ডোই হয়তো চিন্তা কৰা নাছিল।

২। **পূৰ্ণ প্ৰতিযোগিতাৰ ধাৰণা (Concept of Perfect Competetion) :** ৰিকাৰ্ডোৰ তত্ত্বটোত উৎপাদনী দ্ৰব্যৰ বজাৰ পূৰ্ণভাৱে প্ৰতিযোগিতামূলক বুলি কোৱা হৈছে। কিন্তু বাস্তৱত পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ স্থিতি নাই। অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰহে আছে। গতিকে অপূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত ৰিকাৰ্ডোৰ তত্ত্বটো প্ৰাসংগিক নহয়।

৩। **স্থিতিশীল বিশ্লেষণ (Static Explanation) :** ৰিকাৰ্ডোৰ তত্ত্বটো এক স্থিতিশীলতাৰ বিশ্লেষণ বুলি কোৱা হয়। কচি অপৰিৱৰ্তনশীল, উপাদানৰ যোগান অপৰিৱৰ্তনশীল, উৎপাদন অপৰিৱৰ্তনশীল আদিৰ ধাৰণা হ'ল স্থিতিশীল ধাৰণা। কিন্তু বাস্তৱ ক্ষেত্ৰত উন্নত প্ৰযুক্তিবিদ্যাৰ জৰিয়তে উৎপাদন আৰু কচিৰ পৰিৱৰ্তন হয়। উপাদানৰ যোগানো

Shot on Y11
Vivo AI camera